**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। উত্তৰ-পূৰ্বাঞ্চল, কাশ্মীৰ আৰু মাওবাদী অধ্যুষিত অঞ্চলত হিংসাত্মক ঘটনা প্ৰায় ৮০ শতাংশ হ্ৰাস পাইছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

২। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনত অংশগ্ৰহণকাৰীসকলক প্ৰধানমন্ত্ৰীয়ে আদৰণি জনাইছে।

৩। ৰাজ্যপালৰ ভাষণেৰে অসম বিধানসভাৰ বাজেট অধিৱেশন আজি আৰম্ভ হৈছে।

৪। ৰাজস্থানৰ আলৱাৰ জিলাৰ তাপুকাৰাৰ এটা ফেক্টৰীত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত ৮ জন লোকৰ মৃত্যু হৈছে।

আৰু

৫। আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ আৰু আফগানিস্তান মুখামুখি হৈছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দিল্লী আৰক্ষীৰ ৭৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী শ্বাহে কয়, যে সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰৰ পাছৰেপৰা উত্তৰ-পূৰ্বাঞ্চল, কাশ্মীৰ আৰু মাওবাদী অধ্যুষিত অঞ্চলসমূহত হিংসাত্মক ঘটনা প্ৰায় ৮০ শতাংশ হ্ৰাস পাইছে। শীঘ্ৰেই এই অঞ্চলসমূহৰ পৰা সম্পূৰ্ণৰূপে হিংসাত্মক কাৰ্য-কলাপ নিৰ্মূল হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। শ্ৰী শ্বাহে কয়, যে ১১ খন ৰাজ্যত মাওবাদী সন্ত্ৰাসবাদে ৰাষ্ট্ৰৰ অভ্যন্তৰীণ সুৰক্ষাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাষ্ট্ৰৰ ৰাজধানীত আৰক্ষীৰ সেৱা শক্তিশালী কৰাৰ লক্ষ্যৰে আজি দিল্লী আৰক্ষীৰ বিশেষ শাখাৰ সংহত মুখ্য কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হৈছে। ৩৪৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই মুখ্য কাৰ্যালয়ে দেশত মাদক দ্ৰব্য সৰবৰাহ আৰু সন্ত্ৰাসবাদ নিৰ্মূলৰ ক্ষেত্ৰত আটাইতকৈ উন্নত কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব বুলি তেওঁ মন্তব্য কৰে। অত্যাধুনিক এই কাৰ্যালয়টো আধুনিক আভ্যন্তৰীণ ফায়াৰিং ৰেঞ্জ, ৱাৰ ৰুম, চাইবাৰ লেব, প্ৰশিক্ষণ কক্ষকে ধৰি বিভিন্ন সা-সুবিধাৰে সজ্জিত কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰেপৰা পাঁচদিনীয়াকৈ কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন ২০২৬ অনুষ্ঠিত হৈছে। এই অনুষ্ঠানত অংশগ্ৰহণকাৰী বিশ্বনেতা, উদ্যোগপতি, উদ্ভাৱক আৰু নীতি প্ৰণেতাসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আদৰণি জনাইছে। শ্ৰী মোদীয়ে কয়, যে এই সন্মিলনৰ বিষয়বস্তু হৈছে – 'সৰ্বজন হিতায় সৰ্বজন সুখায়' ইয়াৰ জৰিয়তে সকলোৰে কল্যাণ, সুখ, সমৃদ্ধি আৰু মানৱ কল্যাণৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ সুপ্ৰয়োগ নিশ্চিত কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। এই সন্মিলনৰ নিয়োগ সম্ভাৱনাৰ ভৱিষ্যত আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ভৱিষ্যত শীৰ্ষক অধিৱেশনত অংশ লৈ দেশৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ভি অনন্থ নাগেশ্বৰনে কয়, যে ভাৰতে শিক্ষা, সংস্কাৰ আৰু জনসাধাৰণৰ মাজত নিয়োগ যোগ্যতা সৃষ্টিৰ জৰিয়তে বিশ্বক নেতৃত্ব দিব পাৰে। তেওঁ কয়, যে ভাৰত যন্ত্ৰ শিক্ষণ আৰু মানৱ সম্পদৰ সংঘাত নোহোৱাকৈ পৰিপূৰক ব্যৱহাৰেৰে বিশ্বৰ অন্যতম এখন বৃহৎ সমাজ হিচাপে পৰিগণিত হ'ব পাৰে। ইয়াৰ

বাবে ৰাজনৈতিক সদিচ্ছা, সামৰ্থ বৃদ্ধি আৰু প্ৰযুক্তিৰ নতুনত্বক ইতিবাচকভাৱে আদৰি লোৱাৰ প্ৰয়াস প্ৰয়োজন বুলি তেওঁ মত প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ভাৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সমান্তৰালকৈ আয়োজন কৰা পাঁচদিনীয়া প্ৰদৰ্শনীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰিক প্ৰয়োগৰ নিদৰ্শন দাঙি ধৰিব। এই সন্মিলনলৈ ১০০ খনৰো অধিক দেশক আমন্ত্ৰণ জনোৱা হৈছে আৰু ২ লাখৰো অধিক ব্যক্তিয়ে ইয়াৰ বাবে নাম পঞ্জীয়ন কৰিছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ', ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা লা ছিলভা, স্পেইনৰ ৰাষ্ট্ৰপতি পেড্ৰ ছানছেজ পেৰেজ কেষ্টেজন, নেডাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী ডিক স্কুফকে ধৰি কেইবাখনো ৰাষ্ট্ৰৰ মুৰব্বীয়ে অনুষ্ঠানত অংশ ল'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বলিভিয়া, ক্ৰ'ৱেছিয়া, এষ্টনিয়া, ফিনলেণ্ড, গ্ৰীচ, ছাৰ্বিয়া, শ্ল'ভাকিয়াকে ধৰি কেইবাখনো দেশৰ নেতাই এই সন্মিলনত অংশ ল'ব। তদুপৰি ৩৫ খনৰো অধিক দেশৰ মন্ত্ৰী পৰ্যায়ৰ প্ৰতিনিধি দলে এই অনুষ্ঠানত অংশ ল'ব। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ জ্যেষ্ঠ বিষয়াসকলেও অনুষ্ঠানত অংশ ল'ব। ভাৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষ সন্মিলনৰ তিনিটা মূল স্তম্ভ হৈছে – জনসাধাৰণ, বিশ্ব আৰু বিকাশ।

কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আয়োজিত কৃত্ৰিম বুদ্ধিমত্তা বিষয়ক প্ৰদৰ্শনীত ৩০০ৰো অধিক নিৰ্বাচিত বিথীকাৰ লগতে পোনপটীয়া প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ইয়াত ৬০০ৰো অধিক উচ্চ সম্ভাৱনাপূৰ্ণ ষ্টাৰ আপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত ৫০০ৰো অধিক অধিৱেশনৰ আয়োজন কৰা হৈছে আৰু ইয়াত কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিৱৰ্তনকামী প্ৰভাৱ আৰু ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰা হ'ব। স্বাস্থ্যসেৱা, কৃষি আৰু প্ৰশাসনৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰত জন কল্যাণমূলক সমাধানৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগত গুৰুত্ব আৰোপ কৰি এই শীৰ্ষ সন্মিলনৰ আয়োজন কৰা হৈছে।

০০০০০০০০০

বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা দিনৰ চাৰে ১১ বজালৈ স্থগিত ৰখা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে বিধানসভাৰ অন্তিমখন বাজেট অধিবেশনৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তে কংগ্ৰেছ, এ আই ইউ ডি এফ, ৰাইজৰ দল, চি পি আই এমৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি শ্ল'গান দিয়াৰ লগতে প্লেকাৰ্ড প্ৰদৰ্শন কৰে। বিৰোধী সদস্যসকলে অধ্যক্ষৰ আসনৰ সন্মুখত বহি ৰাজ্যপালৰ ভাষণৰ প্ৰতিবাদ সাব্যস্ত কৰে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই বিধানসভাৰ কাম-কাজ চাৰে ১১ বজালৈ স্থগিত ঘোষণা কৰে। চাৰে ১১ বজাত সদন পুনৰ মিলিত হোৱাত বিত্তমন্ত্ৰী অজন্তা নেওগে বিত্ত বিভাগৰ দুখন ৰাজপত্ৰিত অধিসূচনাৰ লগতে ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধনী অধ্যাদেশ ২০২৬ আৰু মন্ত্ৰী যোগেন মহনে সমবায় বিভাগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। মন্ত্ৰী নন্দিতা গাৰ্লোছাই ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ২০২৩-২৪ বিত্তীয় বিভাগৰ প্ৰশাসনীয় প্ৰতিবেদন আৰু মন্ত্ৰী প্ৰশান্ত ফুকনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন আৰু সমৰ্থন কৰা হয়। মন্ত্ৰী অজন্তা নেওগে আজি ২০২৫-২৬ বৰ্ষৰ মঞ্জুৰিৰ বাবে পৰিপূৰক দাবী আৰু বিনিয়োজনসমূহ উত্থাপন কৰে। ইয়াৰ পাছতে বিধানসভাৰ আজিৰ দিনটোৰ কাৰ্যক্ৰমণিকাৰ অন্ত পৰে।

উল্লেখযোগ্য যে চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত কাইলৈ ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ

পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব।

অসম বিধানসভাৰ কেইবামহলীয়া নতুন সচিবালয় ভৱনটো আজি উদ্বোধন কৰা হয়। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ভৱন উদ্বোধন কৰে। অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু উপাধ্যক্ষ ডাঃ নোমল মমিনৰ লগতে আন কেইবাগৰাকী নেতা উপস্থিত থাকে।

0000000

ৰাজস্থানৰ আলৱাৰ জিলাৰ তাপুকাৰাৰ এটা ফেক্টৰীত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত ৮ জন লোকৰ মৃত্যু হৈছে। আৰক্ষী আৰু প্ৰশাসনে সাহায্য আৰু উদ্ধাৰ অভিযান অব্যাহত কৰে। অগ্নি নিৰ্বাপক বাহিনীৰ লোকসকলে জুই নিৰ্বাপনৰ বাবে নিৰন্তৰ চেষ্টা কৰি আছে। ফেক্টৰীৰ ভিতৰত আৰু অধিক লোক আবদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। খুচখেৰা ঔদ্যোগিক অঞ্চলৰ এটা কাৰ্ড ব'ৰ্ড ফেক্টৰীত এই অগ্নিকাণ্ডৰ সুত্ৰপাত হোৱা বুলি জানিব পৰা গৈছে। প্ৰত্যক্ষদৰ্শীৰ মতে ফেক্টৰীত এটা প্ৰচণ্ড বিস্ফোৰণৰ শব্দ হোৱাৰ পাছতে নিমিষতে জুই বিয়পি পৰে। এগৰাকী বিষয়াই জনোৱা মতে ৭ জন শ্ৰমিকৰ শৰদেহ উদ্ধাৰ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই শোকাৱহ অগ্নিকাণ্ডত গভীৰ শোক প্ৰকাশ কৰিছে। এই দুৰ্ঘটনাক অত্যন্ত দুখদায়ক বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে শ্ৰমিকসকলৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা প্ৰকাশ কৰাৰ লগতে এই দুৰ্ঘটনাত আহতসকল যাতে সোনকালে সুস্থ হৈ উঠে তাৰ আশা কৰিছে।

000000000

বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহিব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত আহিবলগীয়া দলটোৱে ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে  আলোচনা মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে পৰহিলৈ বিভিন্ন ৰাজনৈতিক দলৰ সৈতে নিৰ্বাচনৰ বিভিন্ন বিষয় লৈ আলোচনা কৰিব। দলটোৱে ১৮ ফেব্ৰুৱাৰীত ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। সেইদিনা বিয়লি দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব।

0000000

সীমান্ত অঞ্চলত ক্ৰীড়াৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে কালি অৰুণাচল প্ৰদেশৰ টাৱাঙৰ লুংলা মহকুমাৰ মুয়োত এখন ভলীবল ষ্টেডিয়াম উদ্বোধন কৰে। চৰকাৰৰ খেলো ইণ্ডিয়া উদ্যমৰ অধীনত নিৰ্মাণ কৰা এই ষ্টেডিয়ামে ইনড'ৰ ক্ৰীড়া বিশেষকৈ ভলীবল খেলুৱৈসকলক আধুনিক প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে প্ৰতিযোগিতামূলক খেলত অংশগ্ৰহণ কৰাৰ বাবে যুৱক-যুৱতীসকলক উৎসাহিত কৰিব।

000000000

দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত পুৰুষৰ আই চি চি টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেল আজি সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ আৰু আফগানিস্তানৰ মাজত অনুষ্ঠিত হৈছে। গ্ৰুপ-ডিৰ খেলখনত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৯টা উইকেট হেৰুৱাই ১৬০ ৰাণ কৰে। এই বাতৰি লিখাৰ পৰলৈকে আফগানিস্তানে ৮ অভাৰত ২ টা উইকেট হেৰুৱাই ৫৬ ৰাণ সংগ্ৰহ কৰিছে। ইউ এ ইৰ হৈ ছয়ীদ খানে ৬৮ আৰু আলীচন চাৰাফুৱে ৪০ ৰাণ কৰে। আফগানিস্তানৰ হৈ আজমাতুল্লাহ ওমৰজীয়ে চাৰিটা

উইকেট দখল কৰে। প্ৰতিযোগিতাৰ দুখন খেলৰ এখন খেল বিয়লি ৩ বজাত ইংলেণ্ড আৰু ইটালীৰ মাজত অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়া ৭ বজাত শ্ৰীলংকা আৰু অষ্ট্ৰেলিয়াৰ মাজত আনখন খেল অনুষ্ঠিত হ'ব।

0000000

সমাপ্ত